# দৈনিক অসম

ডিব্ৰুগড়, ২৭ পুহ, সোমবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 158। DIBRUGARH, MOND



## যোগান ও পিঠাপনা

। সৰুৰে পৰা বিহুৱতী হিচাপে য় এই ব্যৱসায়ৰ লগতে নতুন ং হেৰাই যাবলৈ উপক্ৰম হোৱা জলপান, চুঙা চাউল আদিৰে দিয়াৰ প্ৰয়াস কৰিছে। ঘৰৰ -পনা, চুঙা চাউল আদি প্ৰস্তুত ৰ বিপণীলৈ পঠিয়ায়। ৰাইজৰ াৰুৰ দৈও বিপণীখনত উপলব্ধ ৰ লগতে মানসীয়ে কেক প্ৰস্তুত ক প্ৰস্তুতিৰ প্ৰশিক্ষণো প্ৰদান — মই অন্য সময়তো নিজকে ত উপাৰ্জনৰ বাবে জন্ম দিনৰ া কাম আৰম্ভ কৰিলোঁ। লগতে য়েকে লোৱা গামোচাৰ ছাতি আদি আৰম্ভ কৰিলোঁ। এই কামসমূহ ধ্যমৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৰি বছৰৰ পৰা বিহুৰ সময়ত মোৰ া বৃদ্ধি পাবলৈ ধৰিলে। গ্ৰাহকৰ ৱাৰ লগতে দূৰৈৰ গ্ৰাহকসকলে মাধ্যমৰ জৰিয়তে অৰ্ডাৰ কৰাত ডাকযোগে মোৰ থলুৱা খাদ্যৰ হিছোঁ। গ্ৰাহকসকলৰ অভূতপূৰ্ব ৰ মই দুগুণ উৎসাহেৰে এইবাৰো পুনৰ গৌৰীসাগৰত অস্থায়ীকৈ াৎ এখন চলন্ত বিপণী খোলাৰ আমাৰ বিপণীখনত উপলব্ধ হ'ব দ্য যেনে- পিঠা-পনাৰ পৰা আদি দৈ, চুঙা দৈ, ক্ৰীম, থলুৱাভাৱে কামল চাউল, চুঙা চাউল। চিৰা, লব্ধ হব। বিহুৰ সময়ত ৰাইজৰ শা কৰিছে মানসী বৰুৱাই।

## য়ী

## বিয়োগ

মুক্তি লাভ কৰিব। ইণ্ডিয়ান




ডিব্ৰুগড়ত প্ৰজ্ঞা সাধনা নেওগৰ কাব্যগ্ৰন্থ উন্মোচন

# সাহিত্য এটা জাতিৰ প্ৰাণস্পন্দন ঃ অধ্যাপক ডঃ শইকীয়া

**দৈনিক অসমৰ বিশেষ প্ৰতিনিধি**

**ডিব্ৰুগড়, ১১ জানুৱাৰী ঃ** 'সাহিত্য হ'ল এটা জাতিৰ প্ৰাণস্পন্দন। সাহিত্যৰ অবিহনে এটা জাতিৰ পৰিচয়, সংস্কৃতি, ভাষা, ইতিহাস কালৰ গতিত হেৰাই যায়। পৃথিৱীত এনেদৰে বহু জাতি বা সভ্যতা আছিল, যিবোৰে নিজৰ কোনো লিখিত সাহিত্য বা শক্তিশালী মৌখিক ঐতিহ্য সংৰক্ষণ কৰিব নোৱৰাৰ বাবে পৃথিৱীৰ বুকুত হেৰাই গ'ল।' অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সভাপতিৰ আহ্বায়ক, বিশিষ্ট লেখক, সাহিত্যিক, ঐতিহ্যপূৰ্ণ ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ (স্বায়ত্তশাসিত) ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই আজি এইদৰে কয়। তেজপুৰ বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ স্নাতক প্ৰথম যাণ্মাসিকৰ ছাত্ৰী, ডিব্ৰুগড় চহৰৰ চিৰিং চাপৰিৰ বাসিন্দা, প্ৰজ্ঞা সাধনা নেওগৰ কাব্যগ্ৰন্থ 'ইন দ্য লেংগুৱেজ অব ফিডাচ' উন্মোচন কৰি অধ্যাপক ডঃ শইকীয়াই কয়- অসমৰ দৰে ৰাজ্যত সাহিত্যৰ পৰিৱেশ ন-কৈ গঢ়ি উঠা পৰিলক্ষিত হৈছে। ছাত্ৰ-ছাত্ৰীৰ মাজত সাহিত্য চৰ্চা, সাহিত্য সাধনা বৃদ্ধি পাইছে। তেওঁ কয়-ছাত্ৰাৱস্থাত সাহিত্য সাধনা কৰি বিশ্ব কবি ৰবীন্দ্ৰনাথ ঠাকুৰ, অসমৰ লক্ষ্মীনাথ বেজবৰুৱা, ইংৰাজী কবি জন কীট্‌ছ, আলেকজেণ্ডাৰ পোপ, লৰ্ড বায়ৰন আদি কবিসকল পৃথিৱী বিখ্যাত হ'ব পাৰিছিল। সাহিত্যহীন জাতি মৃতজাতি বুলি তেওঁ উল্লেখ কৰে। তেওঁ সাহিত্য সৃষ্টিৰ যোগেদি কেনেকৈ জাতি, ভাষা, সংস্কৃতি ৰক্ষা কৰিব পাৰি সেয়া সুন্দৰভাৱে ব্যাখ্যা আগবঢ়ায়। তেওঁ কয়- সাহিত্যই জাতিৰ পৰিচয় ৰক্ষা কৰে, চিন্তা-দৰ্শন সংৰক্ষণ কৰে। তেওঁ জাতিক এজোপা বটবৃক্ষ আৰু সাহিত্যক শিপাৰ সৈতে তুলনা কৰি কয়- সাহিত্য শক্তিশালী হ'লে জাতি কোনোদিনেই হেৰাই নাযায়। উন্মোচনী সভাত কানৈ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী ডঃ মধুমিতা পুৰকায়স্থই ছাত্ৰীগৰাকীক ভূয়সী প্ৰশংসা কৰি কাব্যগ্ৰন্থখনৰ সুন্দৰ বিশ্লেষণ আগবঢ়ায়। অনুষ্ঠানত বিশিষ্ট গল্পকাৰ গৌৰিকা আহমেদ বৰুৱাই ছাত্ৰীগৰাকীক প্ৰশংসা কৰি কয়- প্ৰজ্ঞাৰ এনে উচ্চমানৰ কবিতাই বহুত সম্ভাৱনাৰ আশা কঢ়িয়াই আনিছে। অনুষ্ঠানত জ্যোতি চিত্ৰবনৰ উপাধ্যক্ষ সুনীল ৰাজকোঁৱৰে কানৈ মহাবিদ্যালয়ত সাহিত্য-সংস্কৃতিৰ এক পৰিৱেশ সৃষ্টি হোৱা বুলি উল্লেখ কৰি কবিগৰাকীক উৎসাহিত কৰে। ৰুমী চক্ৰৱৰ্তীয়ে আঁত ধৰা অনুষ্ঠানত বিশিষ্ট লেখিকা বাসৱী হাজৰিকা ভট্টাচাৰ্যই গ্ৰন্থ আৰু সাহিত্য সৃষ্টিয়ে সমাজ গঠনত পালন কৰা ভূমিকা সম্পৰ্কে উল্লেখ কৰে। অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ডঃ পাৰ্থ গাংগুলীয়ে প্ৰজ্ঞা সাধনাৰ কবিতাসমূহৰ উচ্চপ্ৰশংসা কৰি তেওঁক আগুৱাই যাবলৈ আহ্বান জনায়। অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উৎপলা বৰগোহাঁই, গেছ ক্ৰেকাৰ প্ৰকল্পৰ অভিযন্তা যুগান্ত গগৈ, তিলক মহন্তকে ধৰি চহৰখনৰ শতাধিক গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

আহমে ৰাষ্ট্ৰীয় পক্ষত শেহতী মুখ্যমন্ত্ৰ ৰাজ্যখন উচ্ছেদ সময়তে বিপক্ষে ৰাজ্যিক অটল অনুষ্ঠি মন্তব্য ডঃ সংবাদ বিজেপি মহন্ত স তথা তালুকদ পলায়ন অঞ্চলত খেলাৰ মুখপাত্ৰ কৰে। লগতে মহীয়া অভিলে হাজাৰ দেশৰ কৰিছে ৩ বছৰ ৰিজাভ অতিক্ৰ ৩২.৫ বিপৰী গ্ৰহণ ক দেউলী হৈছে অনুদা চৰকাৰ দৰমহা অসম ইস্তাহা নলয় বু দেখুৱা প্ৰত্যাহ্

DIALOGUE